# THE GAUHATI HIGH COURT AT GUWAHATI

(The High Court of Assam, Nagaland, Mizoram and Arunachal Pradesh)

**Main Written Examination for Direct Recruitment to Grade I of Assam Judicial Service**

**Date : 07-03-2020**
**Total Marks : 50**

**Duration : 2 hours**
**Time : 1 PM to 3 PM**

## PAPER-IV

১. তলত দিয়া যিকোনো এটা বিষয়ৰ ওপৰত ন্যূনতম ৪০০ শব্দৰ ভিতৰত এখন ৰচনা লিখক ৭

ক) অযোধ্যা সম্পৰ্কত উচ্চতম ন্যায়ালয়ৰ চূড়ান্ত ৰায়

খ) সংশোধিত নাগৰিকত্ব আইন, ২০১৯

গ) ন্যায় প্ৰদান ক্ষিপ্ৰ কৰাত ন্যায়াধীশসকলৰ ভূমিকা

২. বন্ধনীৰ ভিতৰত দিয়া শব্দৰ পৰা তলত দিয়া শব্দবোৰৰ শুদ্ধ সমাৰ্থক শব্দবোৰ বাছি লিখক $\frac{১}{২}$ X৮= ৪

(সূৰ্য, নদী, পদুম, কপাল, হাতী, চন্দ্ৰ, আকাশ, ৰজা)

(ক) হস্তী (খ) সৰিৎ (গ) নলিন (ঘ) সবিতা

(ঙ) ললাট (চ) সুধাকৰ (ছ) নৃপতি (জ) অম্বৰ

৩. বিপৰীত শব্দ লিখক $\frac{১}{২}$ X৪= ২

(ক) দ্ৰুত (খ) সজীৱ

(ঘ) উত্থান (ঙ) ফৰিয়াদী

৪. এটা শব্দত প্ৰকাশ কৰক (কেৱল উত্তৰ লিখিব) $\frac{১}{২}$ X৪= ২

(ক) যাৰ হাত আঁঠুলৈকে পৰা

(খ) যাৰ পূৰ্বজন্মৰ কথা মনত আছে

(গ) যি পৰিণাম চিন্তা কৰি কাম কৰে

(ঘ) যি জন্তুৰ নিচিনা

৫. সন্ধি ভাঙক আৰু পাতক $\frac{১}{২}$ X৬= ৩

(ক) কথা+উপকথন (খ) উপৰি+উপৰি (গ) গো+অক্ষ

(ঘ) মনোযোগ (ঙ) নীলাচল (চ) উচ্ছৃংখল

৬. নিম্নলিখিত জতুৱা-ঠাঁচসমূহৰ যিকোনো তিনিটাৰ অৰ্থ লিখি বাক্য ৰচনা কৰক ৩

(ক) অথাই সাগৰ (খ) চুক ভেঁকুলী

(গ) অলপ ধতুৰা (ঘ) বিৰ দি বাট নোপোৱা

৭. আপুনি থকা অঞ্চলটোত পানী যোগান ব্যৱস্থা আছে যদিও সেয়া বৰ অনিয়মীয়া। ফলত আপোনালোকৰ অঞ্চলটোৰ লোকসকলে কেনেধৰণৰ সমস্যাৰ সন্মুখীন হৈছে সেই সম্পৰ্কে অৱগত কৰি আৰু সমস্যাটো অচিৰেই সমাধান কৰাৰ অৰ্থে ব্যৱস্থা গ্ৰহণ কৰিবলৈ অনুৰোধ কৰি বিভাগীয় কৰ্তৃপক্ষলৈ অসমীয়াতে এখন আবেদন পত্ৰ লিখক। ৫

**৮. তলত দিয়া যিকোনো এটা ফকৰা-যোজনাৰ ভাৱ সম্প্ৰসাৰণ কৰক (প্ৰায় ৫০ টা শব্দৰ ভিতৰত)** ২

(ক) আদাক দেখি উঠিল গা, কেঁতুৰিয়ে বোলে মোকো খা

(খ) কথাতে কটা যায় কথাতে বঁটা পায়

(গ) হস্তীৰো পিছলে পাৰ, সজ্জনৰো বুৰে নাও

**৯. তলৰ আটাইকেইটা কথা সামৰি স্থানীয় আৰক্ষী থানাৰ প্ৰভাৰীলৈ অসমীয়াতে এখন এজাহাৰ লিখক** ৫

(ক) চুতু কুৰ্মী আৰু লক্ষ্মণ প্ৰজাই চাহ বাগানত কাম কৰে।

(খ) সন্ধিয়া দুয়োটাই প্ৰায়ে একেলগে বহি মদ খায়।

(গ) দুয়োটাৰ এদিন মদ খাই থাকোতে কাজিয়া লাগিল।

(ঘ) চুতু কুৰ্মীয়ে এখন কোৰেৰে লক্ষ্মণৰ মূৰত মাৰে।

(ঙ) লক্ষ্মণ বাগৰি পৰে। ওচৰৰ ৰাইজে তাক হাস্পাতাললৈ নিয়ে যদিও ৰাস্তাতে মৃত্যু হয়।

(চ) চুতু কুৰ্মী লগে লগে সেই ঠাইৰ পৰা পলাবলৈ চেষ্টা কৰে যদিও ৰাইজে আটক কৰি ৰাখে।

**১০. তলত দিয়া শব্দবোৰৰ ইংৰাজী পৰিভাষা লিখক** $\frac{১}{২}$ x ৮= ৪

| | |
|---|---|
| (ক) মহান্যায়বাদী | (খ) অভিযোগ পত্ৰ |
| (ঘ) অৰ্হতা | (ঙ) মৌলিক অধিকাৰ |
| (চ) পঞ্জীয়ক প্ৰধান | (ছ) অবৈতনিক |
| (জ) মহাভিযোগ | (ঞ) অনুজ্ঞাপন প্ৰাধিকাৰী |

**১১. ইংৰাজীলৈ অনুবাদ কৰক** ৫

(ক) তেওঁৰ মৃত্যুৰ পিছত এই সম্পত্তি কোনে পাব?

(খ) সকলো প্ৰাৰ্থীৰ নাম বৰ্ণানুক্ৰমে লিখি এখন তালিকা প্ৰস্তুত কৰা।

(গ) সেই জখমতে মানুহজন মৰিল।

(ঘ) মই অহাৰ আগতেই ৰাম ষ্টেশ্যনলৈ ওলাই গ'ল।

(ঙ) তেওঁ কৈছিল যে ঘটনাটো যোৱাবছৰৰ মাঘ বিহুৰ সময়ত ঘটিছিল।

**১২. তলৰ অনুচ্ছেদটো অসমীয়ালৈ অনুবাদ কৰক** ৮

The Supreme Court stands for a powerful and independent judiciary free from the executive. Under Article 141 of the Constitution, the law declared by the Supreme Court is binding on all courts within the territory of India. The Supreme Court exercises a wide and powerful jurisdiction under Article 136 as the court may use its discretion to grant special leave to appeal from any judgment, decree, determination, sentence or order in any cause or matter passed or made by any court or tribunal in the territory of India. This discretionary jurisdiction is unique and is aimed at doing complete justice rather than strictly following the letter of the law. Thus, special leave to appeal might well be declined, although the law favours a particular cause, but if the interests of justice demand otherwise. Further, for doing complete justice, the Supreme Court is empowered, under Article 142, to pass necessary orders. The Supreme Court thus wields a unique jurisdiction which aims at securing justice in its true spirit and glory. Unfettered by the sheer letter of the law, the Supreme Court is fully equipped to prevent injustice and do complete justice.

—ooo—